REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

Date : 04-11-2026

Time : 1845 PM

Assamese Evening Bulletin

HEADLINES

::::::::::::::::::

১। অগ্নিবীৰৰ কার্যকাল দুবছৰলৈ বৃদ্ধিত কেন্দ্রীয় মন্ত্রীসভাৰ অনুমোদন।

২। ৩০ নৱেম্বৰত হ'বলগীয়া মিচিং স্বায়ত্তশাসিত পৰিষদ আৰু সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নির্বাচনৰ বাবে জিলা প্রশাসনৰ প্রস্তুতি।

৩। ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ অধীনত ১৩খন ৰাজ্যিক পর্যায়ৰ খণ্ডভিত্তিক পৰিষদ গঠনত ৰাজ্যিক মন্ত্রীসভাৰ অনুমোদন।

৪। গুৱাহাটীত **চেৰি-বেষ্ট ২০২৬** শীর্ষক উদ্যমিতা আৰু বহনক্ষম প্রযুক্তিৰ বাবে ৰেচম উৎপাদনৰ উপ-উৎপাদিত সামগ্রী সন্দর্ভত ৰাষ্ট্রীয় সম্মিলন।

আৰু

৫। নিউজিলেণ্ডৰ বিৰুদ্ধে এদিনীয়া ক্রিকেট শৃংখলাৰ বর্ষাবিয়িত প্রথমখন খেলত ভাৰতৰ ৫ উইকেটত জয়লাভ।

oooooo

কেন্দ্রীয় মন্ত্রীসভাই অগ্নিবীৰসকলৰ কার্যকাল দুবছৰলৈ বৃদ্ধিত অনুমোদন জনাইছে। ইয়াৰ পূর্বে চাৰি বছৰ সম্পূর্ণ হোৱাৰ লগে লগে তেওঁলোকৰ কার্যকাল অন্ত পৰিছিল। কেন্দ্রীয় মন্ত্রীসভাৰ বৈঠকৰ পাছত আজি নতুন দিল্লীত সাংবাদিকৰ আগত চীফ অব ডিফেন্স ষ্টাফ জেনেৰেল এন এছ ৰাজা সুব্রমণিয়ে কয় যে চাৰি বছৰ সম্পূর্ণ কৰিবলগীয়া ৭৫ শতাংশ অগ্নিবীৰৰ কার্যকাল অতিৰিক্ত দুবছৰৰ বাবে বৃদ্ধি কৰা হ'ব আৰু ইয়াৰ পাছত আগ্রহী অগ্নিবীৰসকলে সেনাবাহিনীত যোগদান কৰিব পাৰিব। তেওঁ কয় যে অগ্নিবীৰৰ প্রথমটো বেটেচ্‌ে তেওঁলোকৰ চাৰি বছৰ কার্যকাল সম্পূর্ণ কৰিবলৈ আগবাঢ়িছে। এই চাৰি বছৰত তেওঁলোকৰ প্রদর্শন মূল্যায়নৰ ভিত্তিত সেনাই তেওঁলোকৰ বিষয়ে ইতিবাচক সঁহাৰি লাভ কৰে বুলি উল্লেখ কৰি জেনেৰেল সুব্রমণিয়ে কয় যে ২৫ শতাংশ অগ্নিবীৰক যোগ্যতাৰ ভিত্তিত নিয়মীয়া সেনাবাহিনীত যোগদানৰ সুযোগ দিয়া হ'ব। বাকী থকা ৭৫ শতাংশ অগ্নিবীৰক অতিৰিক্ত দুবছৰৰ কার্যকালৰ সুযোগ প্রদান কৰা হ'ব বুলি তেওঁ লগতে উল্লেখ কৰে। কার্যকাল বৃদ্ধিৰ লগে লগে তেওঁলোকৰ পাৰিশ্রমিকো বৃদ্ধি হ'ব বুলি জেনেৰেল গৰাকীয়ে প্রকাশ কৰে।

বাইট (সুব্রমণি)

oooo

মিচিং স্বায়ত্তশাসিত পৰিষদৰ ৪০ টা সমষ্টিত আৰু সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ ৩২ টা সমষ্টিত নির্বাচন অহা ৩০ নৱেম্বৰত অনুষ্ঠিত হ'ব। ৰাজ্যিক নির্বাচন আয়োগে কালি এই নির্বাচনৰ দিন ঘোষণা কৰে। ১০ নৱেম্বৰ মনোনয়ন দাখিলৰ অন্তিম দিন ধার্য কৰা হৈছে। ১২ নৱেম্বৰত মনোনয়ন পত্র সমূহ পৰীক্ষা কৰাৰ লগতে বৈধ প্রার্থীৰ তালিকা প্রকাশ কৰা হ'ব। ১৬ নৱেম্বৰ মনোনয়ন পত্র প্রত্যাহাৰৰ অন্তিম দিন আৰু সেইদিনাই প্রার্থীৰ চূড়ান্ত তালিকা প্রকাশ কৰা হ'ব। ৩০ নৱেম্বৰৰ পুৱা চাৰে ৭ বজাৰ পৰা বিয়লি চাৰি বজালৈ ভোটগ্রহণ অনুষ্ঠিত হ'ব। প্রয়োজন সাপেক্ষে ১ ডিচেম্বৰত পুনৰ ভোট গ্রহণ কৰা হ'ব। ৩ ডিচেম্বৰৰ পুৱা ৮ বজাৰ পৰা ভোটগণনা অনুষ্ঠিত হ'ব। নির্বাচনী প্রক্রিয়া সম্পূর্ণ কৰাৰ অন্তিম দিন ৫ ডিচেম্বৰ ধার্য্য কৰা হৈছে।

ইপিনে, এই নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছতে ৰাজ্যিক নিৰ্বাচন আয়োগে মুক্ত তথা নিকা নিৰ্বাচন নিশ্চিত কৰিবলৈ আদৰ্শ আচৰণ বিধি তাৎক্ষণিকভাৱে বলবৎ কৰাৰ বাবে নিৰ্দেশ দিছে। যোৰহাট জিলাৰ আদৰ্শ আচৰণ বিধি প্ৰযোজ্য হোৱা অঞ্চলসমূহত চৰকাৰী সম্পত্তিৰ ওপৰত থকা সকলো ধৰণৰ দেৱাল লিখন, পোষ্টাৰ, কাগজ, হৰ্ডিং, বেনাৰ আদি ২৪ ঘণ্টাৰ ভিতৰত আঁতৰাবলৈ জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া জয় শিৱানীয়ে নিৰ্দেশ দিছে।

সোণোৱাল কছাৰী আৰু মিচিং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনক লৈ গোলাঘাট জিলা প্ৰশাসনো সাজু হৈ উঠিছে। জিলাখনৰ সোণোৱাল কছাৰীৰ দুটা আৰু মিচিং স্বায়ত্ত শাসিত পৰিষদৰ তিনিটা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব। সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ গোলাঘাট আৰু দৈয়াং সমষ্টিৰ মুঠ ২০টা কেন্দ্ৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

০০০০০০

২০৪৭ চনৰ ভিতৰত এখন বিকশিত অসম গঢ়ি তোলাৰ লক্ষ্যৰে প্ৰশাসনক অধিক বিকেন্দ্ৰীকৃত আৰু জনমুখী কৰাৰ বাবে ৰাজ্যিক মন্ত্ৰীসভাই ৰূপান্তৰ আৰু উন্নয়ন বিভাগৰ অধীনত ১৩খন ৰাজ্যিক পৰ্যায়ৰ খণ্ডভিত্তিক পৰিষদ গঠনত অনুমোদন জনাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত লোৱা হয়। প্ৰশাসনক কেৱল চৰকাৰী কাৰ্যালয়ৰ ভিতৰতে সীমাবদ্ধ নাৰাখি তৃণমূল পৰ্যায়ৰ জনসাধাৰণৰ ওচৰলৈ লৈ যোৱাৰ উদ্দেশ্যে এই ব্যৱস্থা লোৱা হৈছে। জনসাধাৰণৰ প্ৰতিটো গুৰুত্বপূৰ্ণ দিশ সামৰি লোৱাৰ বাবে ৰাজ্যৰ মূল প্ৰশাসনিক খণ্ডসমূহৰ সৈতে সংগতি ৰাখি এই ১৩খন পৰিষদ গঠন কৰা হৈছে। সৰ্বাধিক তিনি বছৰৰ বাবে গঠন হ'বলগীয়া এই পৰিষদসমূহে ৰাজ্যৰ প্ৰশাসনিক ব্যৱস্থাত বিশেষ পৰিৱৰ্তন আনিব বুলি আশা কৰা হৈছে।

০০০০০০

ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজিৰ গোগামুখৰ পৰা কুলাজানলৈ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ প্ৰস্তাৱিত চাৰিলেনযুক্ত পথ নিৰ্মাণ সন্দৰ্ভত এখন বৈঠকত অধ্যক্ষতা কৰে। ধেমাজি সংহত আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই বৈঠকত সাংসদ প্ৰদান বৰুৱা আৰু বিধায়ক ভূৱন পেগু উপস্থিত থাকে। বৈঠকত ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেডে দিয়া চাৰিটা বিকল্পৰ কথা উল্লেখ কৰি মন্ত্ৰী ডাঃ পেগুৱে ডিব্ৰুগড়লৈ দূ�ৰত্ব কম কৰাৰ বাবে ধেমাজিৰ দক্ষিণ অংশৰ মাজেৰে এটা বাইপাছ নিৰ্মাণৰ কথা বিবেচনা কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। তেওঁ লগতে জিয়াঢল, গাই নদী আৰু টঙানি নদীৰ প্ৰতি লক্ষ্য ৰাখি বান প্ৰতিৰোধী আন্তঃগাঁথনিৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বৈঠকত প্ৰস্তাৱিত পথচোৱাৰ অন্যান্য বিকল্প, যাতায়াত ব্যৱস্থা, ভূমি অধিগ্ৰহণকে ধৰি ইয়াৰ সৈতে জড়িত আৰ্থ-সামাজিক দিশসমূহৰ বিষয়েও আলোচনা কৰা হয়। সাংসদ প্ৰদান বৰুৱাই এই গুৰুত্বপূৰ্ণ আন্তঃগাঁথনিমূলক প্ৰকল্পৰ পৰিকল্পনা আৰু ৰূপায়ণৰ ক্ষেত্ৰত স্থানীয় ৰাইজৰ মতামত তথা সুবিধা-অসুবিধাৰ প্ৰতি গুৰুত্ব দিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক আহ্বান জনায়।

০০০০০

হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম শিল্প বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে আজি গুৱাহাটী নেডফি হাউছত অনুষ্ঠিত উদ্যমিতা আৰু বহনক্ষম প্ৰযুক্তিৰ বাবে ৰেচম উৎপাদনত লাভ কৰা অন্যান্য সামগ্ৰী সন্দৰ্ভত ৰাষ্ট্ৰীয় সম্মিলনৰ **চেৰি-বেষ্ট ২০২৬** শীৰ্ষক উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। বস্ত্ৰ মন্ত্ৰালয়ৰ অধীনৰ কেন্দ্ৰীয় ৰেচম পৰিষদৰ উদ্যোগত যোৰহাটৰ লাহদৈগড়ৰ কেন্দ্ৰীয় মুগা এড়ি গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানে এই সম্মিলনৰ আয়োজন কৰে। সম্মিলনত গৱেষক, বিজ্ঞানী, ৰেচম বিশেষজ্ঞ, উদ্যোগী, ঔদ্যোগিক প্ৰতিষ্ঠানৰ প্ৰতিনিধি তথা এই ক্ষেত্ৰৰ সৈতে জড়িত বিভিন্ন অংশীদাৰসকলে ৰেচম উদ্যোগৰ উপ-উৎপাদনসমূহৰ সম্ভাৱনা, ইয়াৰ বহনক্ষম ব্যৱহাৰ আৰু উদ্ভাৱনী প্ৰযুক্তিৰ প্ৰয়োগ সন্দৰ্ভত আলোচনা কৰে। শ্ৰীদৈমাৰীয়ে অনুষ্ঠানত ভাষণ দি অসমৰ পৰম্পৰাগত মুগা আৰু এড়ি ৰেচম উদ্যোগৰ অপৰিসীম সম্ভাৱনাৰ বিষয়ে উল্লেখ কৰে। তেওঁ লগতে পৰম্পৰাগত পৰিসৰৰ বাহিৰলৈ

গৈ ৰেচম উপ-উৎপাদনসমূহৰ অর্থনৈতিক সম্ভাৱনাক যথোচিতভাৱে ব্যৱহাৰ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

০০০০০

মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত তথা কৃষি বিভাগ আৰু অসম খাদ্য আৰু অসামৰিক যোগান বিভাগৰ সহযোগত আজি মৰিগাঁও জিলাৰ ভূৰবন্ধাত এটা ধান ক্ৰয় কেন্দ্ৰ মুকলি কৰা হয়। চৰকাৰৰ ন্যূনতম সমৰ্থিত মূল্য ব্যৱস্থাৰ অধীনত ধান ক্ৰয় প্ৰক্ৰিয়া সফল ৰূপায়ণৰ লক্ষ্যৰে এই কেন্দ্ৰটো মুকলি কৰা হয়। কেন্দ্ৰ মুকলি অনুষ্ঠানত মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত বিধায়কগৰাকীয়ে কয় যে কৃষকসকলক চৰকাৰৰ এই অভিলাষী আঁচনিৰ সুবিধা গ্ৰহণ কৰি ন্যূনতম সমৰ্থিত মূল্যত চৰকাৰৰ ধান বিক্ৰী কৰিবলৈ আহ্বান জনায়। লগতে ধান ক্ৰয প্ৰক্ৰিয়াত কোনো মধ্যভোগী বা দালালে যাতে প্ৰশ্ৰয় লাভ কৰিব নোৱাৰে আৰু প্ৰকৃত কৃষকসকলে যাতে তেওঁলোকৰ উৎপাদিত ধানৰ উচিত মূল্য লাভৰ পৰা বঞ্চিত নহয়, তাৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিভাগসমূহক বিধায়কগৰাকীয়ে নিৰ্দেশনা প্ৰদান কৰে। অনুষ্ঠানৰ অংশ হিচাপে ধান ক্ৰয় নিৰীক্ষণ সমিতিৰ প্ৰথমখন বৈঠক অনুষ্ঠিত কৰাৰ লগতে কৃষকসকলৰ মাজত চৰকাৰী ধান ক্ৰয়ৰ ব্যৱস্থাৰ বিষয়ে সজাগতা সষ্টিৰ প্ৰয়াস কৰা হয়। এই অনুষ্ঠানত প্ৰশাসনৰ ভালেসংখ্যক উচ্চপদস্থ বিষয়াৰ লগতে ধান ক্ৰয় কেন্দ্ৰৰ প্ৰৰন্ধককে ধৰি সংশ্লিষ্ট বিভাগসমূহৰ বিষয়া-কৰ্মচাৰী আৰু প্ৰতিনিধিসকল উপস্থিত থাকে।

০০০০০০

তামুলপুৰ জিলাত প্ৰধানমন্ত্ৰী পোষন আঁচনিৰ অধীনত জিলা পৰ্য্যায়ৰ ৰাজহুৱা শুনানি তথা সামাজিক হিচাপ পৰীক্ষা কাৰ্য্যসূচী আজি সম্পন্ন হয়। তামুলপুৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্য্যালয় প্ৰেক্ষাগৃহত আয়োজিত কাৰ্য্যসূচীত জিলাৰ ১৩খন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশ লৈ এই আঁচনি ৰূপায়নৰ ক্ষেত্ৰত সন্মুখীন হোৱা বিভিন্ন সমস্যা আৰু সমাধানৰ উপায় সন্দৰ্ভত আলোচনা কৰে। জিলাৰ অতিৰিক্ত আয়ুক্ত হেমাশ্ৰী খনিকৰে এই আঁচনিৰ স্বচ্ছতা আৰু চৰকাৰী পুঁজিৰ সঠিক ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

০০০০০

ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান, আই টি আই যোৰহাট আৰু চিমেন্ছ ইণ্ডিয়া আৰু টাটা ষ্টাইভৰ যুটীয়া প্ৰচেষ্টাত আজি আই টি আই যোৰহাট প্ৰাংগনত এখন উদ্যোগ সন্মিলন অনুষ্ঠিত হয়। উদ্যোগ প্ৰতিষ্ঠানৰ সহযোগিতা শক্তিশালী কৰা, উদ্যোগ প্ৰতিনিধিৰ সৈতে অর্থপূর্ণ পাৰস্পৰিক ক্ৰিয়াকলাপ নিশ্চিত কৰা আৰু স্থানীয় উদ্যোগসমূহৰ মাজত আই টি আই প্ৰশিক্ষাৰ্থীসকলৰ বাবে কৰ্মক্ষেত্ৰৰ প্ৰশিক্ষণ, এপ্ৰেণ্টিশ্বিপ আৰু প্লেচমেণ্টৰ গুৰুত্ব সম্পৰ্কে সজাগতা সৃষ্টি কৰাই আছিল এই সন্মিলনৰ মূল উদ্দেশ্য। এই সন্মিলনত জিলাখনৰ বিভিন্ন ঔদ্যোগিক প্ৰতিষ্ঠানৰ কর্তৃপক্ষৰ লগতে ভালেকেইগৰাকী ব্যক্তি মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

০০০০০০

ধেমাজি জিলাৰ মৰিঢল মহাবিদ্যালয়ত মাই ভাৰতৰ দ্বাৰা আয়োজিত **বিকশিত ভাৰত যুৱ সংবাদ** কাৰ্যসূচী আজি অনুষ্ঠিত হয়। এই কাৰ্যসূচীত সাংসদ প্ৰদান বৰুৱাই অংশগ্ৰহণ কৰি বিকশিত ভাৰত যুৱ সংবাদৰ পাৰস্পৰিক ক্ৰিয়াই যুৱক-যুৱতীসকলৰ সৈতে জড়িত হ'বলৈ, ধাৰণা বিনিময় কৰিবলৈ আৰু জাতি গঠনত তেওঁলোকৰ সক্ৰিয় অংশগ্ৰহণক উৎসাহিত কৰিবলৈ এখন সুন্দৰ মঞ্চ বুলি মন্তব্য কৰে। তেওঁ বিকশিত ভাৰত ২০৪৭ৰ দৃষ্টিভংগীৰ প্ৰতি যুৱ মনৰ উৎসাহ, আকাংক্ষা আৰু দায়বদ্ধতা বৃদ্ধি হোৱাটো প্ৰেৰণাদায়ক বুলি উল্লেখ কৰে। যুৱ প্ৰজন্মক সবল কৰি এখন উন্নত সমৃদ্ধিশালী আৰু স্বাৱলম্বী ভাৰত গঢ়ি তুলিবলৈ তেওঁ সকলোৰে প্ৰতি আহ্বান জনায়। অনুষ্ঠানত চিচিবৰ গাঁও সমষ্টিৰ বিধায়ক জীৱন গগৈ, মৰিঢল মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ দ্বীপেন শইকীয়াৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি, অধ্যাপক, সদস্য আৰু উৎসাহী যুৱ অংশগ্ৰহণকাৰীসকল উপস্থিত থাকে।

০০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ৰ চলিত বৰ্ষৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ আজিৰে পৰা আৰম্ভ হৈছে। বিশ্ববিদ্যালয়ৰ উপাচার্য্য অধ্যাপক ননী গোপাল মহন্তই বিশ্ববিদ্যালয়ৰ ক্রীড়া পৰিষদৰ অধীনত তথা স্নাতকোত্তৰ ছাত্র সন্থাৰ সহযোগত অনুষ্ঠিত এই যুৱ মহোৎসৱ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। যুৱ মহোৎসৱক প্রতিভা বিকাশৰ এক উল্লেখযোগ্য মাধ্যম বুলি অভিহিত কৰি উপাচার্য্য মহন্তই এনে উৎসৱে শিক্ষার্থী সকলক প্রতিভা প্রদর্শনৰ সুযোগ দিয়াৰ লগতে প্রতিখন মহাবিদ্যালয়ক সাংস্কৃতিক আৰু শৈক্ষিক ক্ষেত্রত আগবাঢ়ি যাবলৈ উৎসাহিত কৰিব বুলি কয়। উদ্বোধনী অনুষ্ঠানত পঞ্জীয়ক অধ্যাপক উৎপল শর্মা, শ্রেণী সমূহৰ সচিব ড০ ৰঞ্জন কুমাৰ কাকতি, উপ ছাত্র কল্যাণ সঞ্চালক ড০ কুলদীপ পাটগিৰি, স্নাতকোত্তৰ ছাত্র সন্থাৰ বিষয়ৱবীয়া আৰু আমন্ত্রিত অতিথিসকল উপস্থিত থাকে। যুৱ মহোৎসৱ উপলক্ষে আয়োজিত সাংস্কৃতিক শোভাযাত্রাত জনপ্রিয় অভিনেত্রী আইমী বৰুৱাই বিশিষ্ট অতিথিৰূপে ভাগ লয়। উল্লেখযোগ্য যে এই মহোৎসৱত এইবাৰ ৰাজ্যৰ ৬০ খনতকৈও অধিক মহাবিদ্যালয়ৰ প্রায় এহেজাৰ শিক্ষার্থীয়ে সংগীত, নৃত্য, সাহিত্যকে ধৰি প্রায় ৪০ টা শিতানৰ প্রতিযোগিতাত নিজৰ পাৰদর্শিতা প্রদর্শন কৰিব।

০০০০০

ডিব্রুগড় বিশ্ববিদ্যালয়ৰ ড০ ভূপেন হাজৰিকা পৰিবেশ্য কলা অধ্যয়ন কেন্দ্রৰ তত্বাৱধানত আজি পৰিৱেশ্য কলাৰূপে বিহু শীর্ষক এবছৰীয়া পাঠ্যক্রম মুকলি কৰা হয়। ডিব্রুগড় বিশ্ববিদ্যালয়ৰ উপাচার্য্য ড০ জীতেন হাজৰিকাই শ্রী শ্রী অনিৰুদ্ধদেৱ সভাকক্ষত আয়োজিত কার্য্যসূচীত এই পাঠ্যক্রম মুকলি কৰে। ভাষণ প্রসঙ্গত তেওঁ জাতীয় সংস্কৃতি এটাৰ সংৰক্ষণ, সংবর্ধন আৰু প্রচাৰ প্রসাৰৰ দায়িত্ব বিশ্ব বিদ্যালয় এখনৰ থাকে বুলি উল্লেখ কৰে। বিহুক বিদ্যায়তনিক ভাৱে চর্চা আৰু গৱেষণাৰ বাবে শৈক্ষিক ব্যৱস্থা গঢ়ি তুলি ডিব্রুগড় বিশ্ববিদ্যালয়ে এটা ঐতিহাসিক কাম কৰিছে বুলি তেওঁ উল্লেখ কৰে। ইতিমধ্যে বিহু সংস্কৃতি আগুৱাই নিয়াৰ ক্ষেত্রত ডিব্রুগড় বিশ্ববিদ্যালয়ে কেইবাটাও দৃষ্টিভংগী গ্রহণ কৰিছে বুলি উল্লেখ কৰি তেওঁ ২০২৭ বর্ষত ঢোল-খোল, বিহুনাছ, আবৃত্তি আদি বিষয়ৰ পাঠ্যক্রম আৰম্ভ কৰা হ'ব বুলি উল্লেখ কৰে। আজিৰ কার্য্যসূচীত বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড০ পৰমানন্দ সোণোৱালে বিহুক কেন্দ্র কৰি শৈক্ষিক পাঠ্যক্রম আৰম্ভ কৰাৰ বাবে বিশ্ববিদ্যালয়ৰ নাম ইতিহাসৰ পাতত জিলিকি থাকিব বুলি মন্তব্য কৰে।

০০০০০০

বড়োলেণ্ড স্বায়ত্ত শাসিত পৰিষদ আৰু পাব্লিচার্চ এণ্ড বুক ছেলার্চ গিল্ড, নর্থ ইষ্টৰ যৌথ উদ্যোগত অহা ১ ডিচেম্বৰৰ পৰা কোকৰাঝাৰৰ গ্রীণ ফিল্ডত পোনপ্রথমবাৰৰ বাবে নর্থ ইষ্ট নেচনেল বুক ফেয়াৰ, বড়োলেণ্ড অনুষ্ঠিত হ'ব। গুৱাহাটী প্রেছ ক্লাৱত আজি এখন সংবাদমেল যোগে এই বিষয়ে সদৰী কৰে বিধায়ক তথা কার্য্যবাহী সদস্য ৰবিৰাম নার্জাৰীয়ে। এই গ্রন্থমেলাৰ বাবে বিটিচিৰ প্রাক্তন উপমুখ্য কার্য্যবাহী তথা বর্তমানৰ এম চি এল এ কাম্পা বৈগয়াৰীক সভাপতি হিচাপে লৈ এখন আয়োজক সমিতি গঠন কৰা হৈছে বুলি তেওঁ কয়। শিক্ষামন্ত্রী ডাঃ ৰনোজ পেণ্ড আৰু বিটিচিৰ প্রধান হাগ্রামা মহিলাৰীয়ে ১ ডিচেম্বৰত এই গ্রন্থমেলা উদ্বোধন কৰিব।

০০০০০০

ওদালগুৰি জিলাৰ টংলা সাহিত্য সভা ভৱনৰ চৌহদত আজি সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ এটা আবক্ষমূর্তি উন্মোচন কৰা হয়। টংলাৰ বিধায়ক বিকন চন্দ্র ডেকাই এই মূর্তিটো উন্মোচন কৰি অসমীয়া ভাষাক জীয়াই ৰখাৰ প্রচেষ্টা অব্যাহত ৰাখিব লাগিব বুলি উল্লেখ কৰে। কার্য্যসূচীৰ লগত সংগতি ৰাখি জিলা সাহিত্য সভাৰ সভাপতি তজৰ আলি আহমেদে সাহিত্যৰথী নামৰ এখন স্মৰণিকা উন্মোচন কৰে। আজিৰ কার্য্যসূচীত ভালেমান ব্যক্তি উপস্থিত থাকে।

০০০০০

অকলেণ্ডৰ ইডেন পার্কত অনুষ্ঠিত পাঁচখনীয়া এদিনীয়া ক্রিকেট শৃংখলাৰ বর্ষাবিঘ্নিত প্রথমখন খেলত আজি নিউজিলেণ্ডৰ বিৰুদ্ধে ভাৰতে ৫ উইকেটত জয়লাভ কৰে।

খেলখনত ঘৰুৱা দল নিউজিলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ৪০ অভাৰ আৰু দুটা বলত আটাইকেইটা হেৰুৱাই ১৮৫ ৰান সংগ্ৰহ কৰে। নিউজিলেণ্ডৰ হৈ টিম ছেইফর্টে সর্বাধিক ৩৮ ৰান কৰে। ভাৰতৰ হৈ অশ্বদীপ সিঙে ৪টা আৰু গুৰনুৰ ব্ৰাৰে তিনিটা উইকেট লাভ কৰে।

প্ৰত্যুত্তৰত ভাৰতে ১৮৬ ৰাণৰ লক্ষ্যৰে খেল আৰম্ভ কৰে যদিও বাৰে বাৰে বৰষুণে খেলখনত বিধিপথালি দিয়াত খেলখনৰ অ'ভাৰ ৩২লৈ হ্ৰাস কৰা হয়। সেই অনুসৰি ডার্ক-ৰর্থ লুইচ নিয়ম অনুসৰি ভাৰতে ১৪৩ ৰাণৰ সংশোধিত লক্ষ্য লাভ কৰে। ভাৰতে মাত্ৰ ২২ অভাৰ ৪টা বলতে পাঁচটা উইকেট হেৰুৱাই নির্ধাৰিত লক্ষ্যত উপনীত হয়। বিৰাট কোহলীয়ে ৫১টা বলত ৭৪ ৰাণ কৰাৰ লগতে শুভমন গিলে ৩৭ ৰাণৰ বৰঙণি আগবঢ়ায়।

প্ৰতিযোগিতাৰ দ্বিতীয়খন খেল অহা শনিবাৰে ৱেলিংটনত অনুষ্ঠিত হ'ব।

oooo

সমাপ্ত